# আগকথা

শীলভদ্ৰ ৰচিত 'মধুপুৰ বহুদূৰ' গল্প পঢ়াৰ পাছৰে পৰা তেওঁৰ কথাসাহিত্য অধ্যয়নৰ প্ৰতি আগ্ৰহ জন্মে। ইয়াৰ মূলতে হ'ল 'মধুপুৰ বহুদূৰ' গল্পটিৰ নিৰ্বাচিত বিষয়বস্তুৰ সহজ-সৰল বৰ্ণনা, পটভূমিকেন্দ্ৰিক অঞ্চল গৌৰীপুৰৰ ভাষা-সংস্কৃতিৰ উপস্থাপন আৰু আত্মকথনমূলক পদ্ধতিৰে অতীত স্মৃতি ৰোমন্থন কৰি গৌৰীপুৰৰ ঐতিহ্য আৰু ইতিহাস, গৌৰীপুৰৰ অতীত আৰু বৰ্তমানৰ বাস্তৱ বিৱৰণ আদিয়ে আমাক আকৰ্ষিত কৰিছিল। সেইসূত্ৰে শীলভদ্ৰৰ কথাসাহিত্যৰ অধ্যয়নৰ গভীৰতালৈ সোমাই যোৱাৰ পাছত এটা কথা স্পষ্ট হৈ পৰিছিল যে তেখেতৰ কথাসাহিত্যৰ বিষয়বস্তু গৌৰীপুৰকেন্দ্ৰিক অঞ্চল। এই অঞ্চলৰ সমাজ জীৱন চৰ্চা, য'ত স্থানীয় (Local) ভাষা-সংস্কৃতি, ঐতিহ্য আৰু পৰম্পৰাৰ উপস্থাপনৰ কৌশলগত দিশ প্ৰয়োগৰ ক্ষেত্ৰত যিবোৰ সমল ব্যৱহাৰ কৰিছে, সেই সমল অবিভক্ত গোৱালপাৰা জিলাৰ গৌৰীপুৰ অঞ্চলৰ পৰা আহৰিত। অবিভক্ত গোৱালপাৰা জিলাতেই জন্ম আৰু ডাঙৰ-দীঘল হোৱা বাবে সৰুৰে পৰা আমি এই অঞ্চলৰ ভাষা-সংস্কৃতিৰ স'তে একাত্ম হৈ পৰিছিলো। স্নাতক শ্ৰেণীত শৈলেন ভৰালী সম্পাদিত 'গল্পমঞ্জৰী'ত সন্নিৱিষ্ট 'মধুপুৰ বহুদূৰ' গল্পটি অধ্যয়নৰ পাছৰে পৰা শীলভদ্ৰৰ কথাসাহিত্য সন্দৰ্ভত অধিক অনুসন্ধিৎসু হৈ পৰোঁ।

অসমীয়া উপন্যাসৰ প্ৰস্তুতি কালত মিছেনেৰীসকলৰ অৱদানৰ বাহিৰেও থলুৱা লেখকৰ বৰঙণি কম নহয়। ১৮৭৬ খ্ৰীষ্টাব্দত প্ৰকাশিত হেমচন্দ্ৰ বৰুৱাৰ 'বাহিৰে ৰংচং ভিতৰে কোৱাভাতুৰী' আৰু১৮৮৪ খ্ৰীষ্টাব্দত পদ্মাৱতী দেৱী ফুকননীৰ 'সুধৰ্মাৰ উপাখ্যান' এইক্ষেত্ৰত উল্লেখযোগ্য। কাহিনী, পটভূমি, চৰিত্ৰ, সংলাপ, পৰিৱেশ, ৰস, উৎকণ্ঠা, আদৰ্শ আৰু ৰচনাৰীতিৰ ফালৰ পৰা ১৮৯১ চনত 'বিজুলী' কাকতত প্ৰকাশিত পদ্মনাথ গোহাঞি বৰুৱাৰ 'ভানুমতী'ক নিঃসন্দেহে প্ৰথম মৌলিক অসমীয়া উপন্যাস বুলি ক'ব পাৰি। নিভাঁজ অসমীয়া উপন্যাসৰ এই ধাৰাটো ১৮৮৫ পৰা ১৯০০ চনৰ ভিতৰত ৰজনীকান্ত বৰদলৈৰ হাতত প্ৰল্লৱিত হৈ উঠে। পৰৱৰ্তী কালত অসমীয়া উপন্যাস সাহিত্যৰ মূলসুঁতিৰ লগত বহুতো সৰু-বৰ ধাৰা মিলিত হৈ ইয়াক পৰিপুষ্ট কৰিছে। তাৰে এটি বিশিষ্ট ধাৰা হ'ল অসমীয়া আঞ্চলিক উপন্যাস। সেয়ে অসমীয়া আঞ্চলিক উপন্যাসৰ ক্ষেত্ৰত শীলভদ্ৰ অন্যতম।

শীলভদ্ৰ ৰচিত কথাসাহিত্যৰ পটভূমি কোনো এক বিশেষ অঞ্চল। সেই বিশেষ অঞ্চল হ'ল অবিভক্ত গোৱালপাৰা জিলাৰ গৌৰীপুৰ। গৌৰীপুৰ অঞ্চলৰ সাধাৰণ জনজীৱনৰ মাত-কথা, কৃষ্টি-সংস্কৃতি, লোক-পৰম্পৰা, নৈ-পৰীয়া মানুহৰ সুখ-দুখ, ভাষা আৰু থলুৱা চৰিত্ৰৰ জীৱন্ত ৰূপদান, গৌৰীপুৰৰ জমিদাৰ বংশৰ পতন আৰু মধ্যবিত্ত শ্ৰেণীৰ উত্থান, সামাজিক পৰিৱৰ্তন আৰু পৰিৱৰ্ধনেই তেখেতৰ উপন্যাসৰ মূল বিষয়। ঔপন্যাসিক উল্লিখিত অঞ্চলটোৰ অধিবাসী হোৱা হেতুকে তেখেতৰ উপন্যাসত এই অঞ্চলৰ আঞ্চলিক বৈশিষ্ট্য আৰু উপাদান অকৃত্ৰিমভাৱে প্ৰতিফলিত হৈ উঠিছে। গতিকে উপন্যাসৰ বিষয়বস্তু আৰু ৰচনাৰীতিৰ ফালৰ পৰা তেওঁৰ 'তৰংগিনী' উপন্যাসখনৰ বাহিৰে আন আটাইকেইখন উপন্যাসক আঞ্চলিক উপন্যাস বুলিব পাৰি। সেয়ে 'শীলভদ্ৰৰ উপন্যাসত আঞ্চলিক উপাদান ঃ এক বিশ্লেষণাত্মক অধ্যয়ন' শীৰ্ষক গৱেষণা গ্ৰন্থত আঞ্চলিকতাবাদৰ দৃষ্টিভংগীৰে 'শীলভদ্ৰৰ উপন্যাস সমগ্ৰ'ৰ বিতং বিশ্লেষণ কৰিবলৈ প্ৰযত্ন কৰা হৈছে। মূলত বিশ্লেষণাত্মক অধ্যয়ন পদ্ধতিৰ আধাৰত গৱেষণা কৰ্ম সম্পন্ন কৰা হৈছে। বিশেষকৈ ভাষা-সংস্কৃতিৰ সমল বিচাৰি কিছু ক্ষেত্ৰ অধ্যয়নৰ সহায় লোৱা হৈছে। তদুপৰি অধ্যয়নৰ ক্ষেত্ৰত বিভিন্ন আলোচনী, স্মৃতিগ্ৰন্থ আৰু পূৰ্বসুৰী পণ্ডিত, গৱেষক, লেখক সকলৰ গ্ৰন্থ, প্ৰবন্ধ আদিৰ পৰা তথ্য সংগ্ৰহ আৰু সহায় লোৱা হৈছে। বিশেষকৈ অসমীয়া উপন্যাস সাহিত্য সম্পৰ্কে সত্যেন্দ্ৰনাথ শৰ্মাৰ 'অসমীয়া উপন্যাসৰ গতিধাৰা', গোবিন্দ প্ৰসাদ শৰ্মাৰ 'উপন্যাস আৰু অসমীয়া উপন্যাস' আৰু 'অসমীয়া উপন্যাসৰ ইতিহাস', প্ৰফুল্ল কটকীৰ 'স্বৰাজোত্তৰ অসমীয়া উপন্যাস সমীক্ষা', জাহ্নৱী দেৱীৰ 'অসমীয়া জীৱনী ভিত্তিক উপন্যাস', প্ৰদীপ কুমাৰ বৰুৱাৰ 'আধুনিক অসমীয়া উপন্যাসৰ শিল্পৰীতি', প্ৰহ্লাদ কুমাৰ বৰুৱাৰ 'উপন্যাস', নগেন ঠাকুৰ সম্পাদিত 'এশ বছৰৰ অসমীয়া উপন্যাস' প্ৰভৃতি বিজ্ঞসকলে তথ্য সম্বলিত গ্ৰন্থ তথা গৱেষণামূলক গ্ৰন্থ লিখি অসমীয়া উপন্যাস সাহিত্যক এক সুকীয়া মৰ্যাদা প্ৰদান কৰিছে। সেই পদাংক অনুসৰণ কৰি বিভিন্নজন গৱেষকে শীলভদ্ৰৰ উপন্যাস সম্পৰ্কে গৱেষণামূলক প্ৰৱন্ধ ৰচনা কৰিছে। সেইসকলৰ ভিতৰত গোবিন্দ প্ৰসাদ শৰ্মা, বসন্ত কুমাৰ ভট্টাচাৰ্য, মাইনী চমুৱা, সৰোজ কাকতি, বিপুল মালাকাৰ প্ৰভৃতি ব্যক্তিসকলে শীলভদ্ৰৰ উপন্যাসৰ বিভিন্ন দিশ আলোচনা কৰি অসমীয়া উপন্যাস সাহিত্যক সমৃদ্ধি কৰিছে । বিশেষকৈ আখ্‌তাৰুল ইছলাম সম্পাদিত 'শীলভদ্ৰ সৃষ্টি আৰু দৃষ্টি' গ্ৰন্থখনৰ

বাহিৰে শীলভদ্ৰৰ কথাসাহিত্য সম্পৰ্কে এককভাৱে ৰচিত তেনেধৰণৰ কোনো গ্ৰন্থ পোৱা নাযায় আৰু শীলভদ্ৰৰ উপন্যাস সম্পৰ্কে কোনো গৱেষকে তেনে কোনো পদ্ধতিগত অধ্যয়ন কৰা আমাৰ দৃষ্টিগোচৰ হোৱা নাই। সেই কথা অনুভৱ কৰিয়ে 'শীলভদ্ৰৰ উপন্যাসত আঞ্চলিক উপাদান ঃ এক বিশ্লেষণাত্মক অধ্যয়ন' শীৰ্ষক বিষয়টিত গৱেষণা গ্ৰন্থ প্ৰণয়ন কৰিবলৈ যথাৰীতি বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অধীনত আৰু বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক, ভাষাগুৰু ড° নৰজ্যোতি শৰ্মা ছাৰৰ তত্বাৱধানত গৱেষণা কৰ্ম আৰম্ভ কৰা হ'ল। এই গৱেষণা কৰ্মৰ মাজেদি অসমীয়া উপন্যাস আৰু অসমীয়া আঞ্চলিক উপন্যাসৰ ধাৰা, শীলভদ্ৰৰ উপন্যাস সমগ্ৰক আঞ্চলিকতাবাদৰ দৃষ্টিৰে বিশ্লেষণৰ প্ৰয়াস কৰা হৈছে।

আমাৰ গৱেষণা কৰ্মৰ প্ৰস্তুতি পৰ্বৰ পৰা অন্তলৈকে বিভিন্ন ক্ষেত্ৰত বিভিন্ন ব্যক্তি বিশেষ, পণ্ডিত, গৱেষক, তত্বাৱধায়ক, বন্ধু-বান্ধৱী, পৰিয়াল পৰিজনৰ পৰা লাভ কৰা নিঃস্বাৰ্থ সহায়-সহযোগিতা অবিহনে গৱেষণা গ্ৰন্থখন সম্পূৰ্ণ কৰা সম্ভৱ নহ'লহেঁতেন।

গৱেষণা গ্ৰন্থখন পূৰ্ণাঙ্গ ৰূপদান দিয়াৰ ক্ষেত্ৰত আমাৰ গৱেষণা কৰ্মৰ তত্বাৱধায়ক ড° নৰজ্যোতি শৰ্মা ছাৰৰ কৰ্মময় জীৱনৰ ব্যস্ততাৰ মাজতো প্ৰতিটো দিশতে দিহা-পৰামৰ্শ, উপদেশ-নিৰ্দেশেৰে ভুল-ত্ৰুটিবোৰ আঙুলিয়াই দিছে আৰু গৱেষণা কৰ্ম সম্পাদনৰ ক্ষেত্ৰত তাগিদা আৰু অনুপ্ৰেৰণা যোগাই যথেষ্ট কষ্ট স্বীকাৰ কৰিছে। এই গৱেষণা কৰ্ম সম্পূৰ্ণ কৰাৰ বাবে তেখেতে যি সহায়-সহযোগিতা আগবঢ়াইছে, তাৰ বাবে মই তেখেতৰ ওচৰত আজীৱন ঋণী হৈ থাকিম। এই ছেগতে শ্ৰদ্ধাস্পদ শৰ্মা ছাৰলৈ এই অভাজনৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা নিবেদন কৰিছোঁ।

স্নাতকোত্তৰ শ্ৰেণীত অধ্যয়ন কৰাৰ সময়ৰে পৰা গৱেষণা কৰ্মৰ প্ৰতি আগ্ৰহ জন্মোৱা আৰু উৎসাহ যোগোৱা আমাৰ শিক্ষাগুৰু বৰ্তমান গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপিকা ড° প্ৰণীতা দেৱী বাইদেউ আৰু গৱেষণা কৰ্মত হাত দিবৰ বাবে আমাক অনবৰতে সোঁৱৰাই থকা আৰু গৱেষণা কৰ্মৰ অগ্ৰগতিৰ খতিয়ান লৈ বিভিন্ন দিহা-পৰামৰ্শ দি উৎসাহিত কৰা ব্যক্তিগৰাকী হ'ল পশ্চিমবংগৰ ৰায়গঞ্জ বিশ্ববিদ্যালয়ৰ বাংলা বিভাগৰ অধ্যাপক ড° দীপক কুমাৰ ৰায় ছাৰ। তেখেত সকলোলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। আমাৰ প্ৰেৰণাৰ আন এক উৎস হ'ল দেউতা স্বৰ্গীয় পুষ্প ৰাম ৰায়। তেখেত উচ্চ শিক্ষা গ্ৰহণৰ প্ৰতি উপদেশ আৰু নিৰ্দেশ দি কৈছিল, 'বিশ্ববিদ্যালয় ঘৰতে হ'ল, হাল বাই হ'লেও উচ্চ শিক্ষা গ্ৰহণ কৰিব লাগিব।'

দেউতাৰ এই বাক্য শাৰীয়ে উচ্চ শিক্ষাৰ প্ৰতি আমাক উৎসাহিত কৰিছিল। এই ছেগতে তেখেতলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ আৰু তেখেতৰ বিদেহী আত্মাই চিৰশান্তি লাভ কৰক, তাকে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ। তদুপৰি পৰিয়ালৰ প্ৰতিজন সদস্যৰ উৎসাহ আৰু সহায়-সহযোগিতা অবিহনে গৱেষণা কৰ্ম সম্পূৰ্ণ কৰা সম্ভৱ নহ'লহেতেঁন। এই ছেগতে তেখেত সকলোলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

আমাৰ গৱেষণা কৰ্মৰ প্ৰয়োজনীয় সমল আহৰণৰ বাবে যিবোৰ পুথিভঁৰাল ব্যৱহাৰ কৰাৰ সুযোগ পাইছিলো, সেইবোৰৰ ভিতৰত বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ পুথিভঁৰাল, গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৃষ্ণকান্ত সন্দিকৈ পুথিভঁৰাল, কলিকতাৰ জাতীয় পুথিভঁৰাল, ধুবুৰী জিলা পুথিভঁৰাল, ধুবুৰী উপায়ুক্ত কাৰ্য্যালয়ৰ মহাফেচ খানা, কোকৰাঝাৰ জিলা পুথিভঁৰাল, হালাকুৰা মহাবিদ্যালয় পুথিভঁৰাল আদি উল্লেখযোগ্য। এই পুথিভঁৰাল সমূহৰ গ্ৰন্থাগাৰিক আৰু সুহৃদ কৰ্মীবৃন্দয়ে গ্ৰন্থ বিচাৰি সহায়-সহযোগ কৰাৰ বাবে তেখেত সকলোলৈ আন্তৰিক শলাগ যাচিলোঁ। তদুপৰি বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ বিভাগীয় প্ৰধান ড° চুমী কলিতা বাইদেউ, ড° বিভূতিলোচন শৰ্মা ছাৰ, দীপামণি বৈশ্য বাইদেউ, ৰাতুল ডেকা ছাৰ আৰু ডেইজী ৰাণী ডেকা বাইদেউ আটাইলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

অধ্যয়নৰ সময়ত যিকোনো খোকজাৰ তাৎক্ষণিক সদুত্তৰ দিয়া আমাৰ সহকৰ্মী হালাকুৰা মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপক শিৱাশিষ চেট্টাৰ্জী আৰু দৰ্শন বিভাগৰ সহকাৰী অধ্যাপক হেমন্ত কুমাৰ ৰায়লৈ এই ছেগতে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। তদুপৰি আমাৰ বিভাগীয় মুৰব্বী সহকাৰী অধ্যাপক ৰজত কুমাৰ শৰ্মা, ৰুণুমী চক্ৰৱতী, ৰফুলউদ্দিন সৰকাৰলৈ শলাগ যাচিলোঁ।

পৰিশেষত গৱেষণা গ্ৰন্থখনিত অনিচ্ছাকৃভাৱে বৈ যোৱা ভুল-ত্ৰুটিৰ বাবে সংশ্লিষ্ট আটাইৰে ওচৰত ক্ষমা প্ৰাৰ্থী হৈ ৰলোঁ।

Uma Kanta Roy

তাৰিখ ঃ **উমাকান্ত ৰায়**

গৱেষক, অসমীয়া বিভাগ, বড়োলেণ্ড বিশ্ববিদ্যালয়